As per CBCS Syllabus

# অসমীয়া নাটক আৰু পৰিৱেশন শৈলী

## (আৰম্ভণিৰ পৰা অষ্টাদশ শতিকালৈ)

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ অসমীয়া বিষয়ৰ পঞ্চম যাণ্মাসিকৰ সন্মান (Honours) পাঠ্যক্ৰমৰ আধাৰত

প্ৰথম কাকত ঃ ASM-HC-5016



সম্পাদনা ঃ
ড° ভনিতা নাথ
সংযুক্তা বৰুৱা

**Asamiya Natak aru Paribeshan Soili :** A textbook on B.A. 5th Semester (Honours) Course (ASM-HC-5016) under Gauhati University according to CBCS syllabus edited by Dr. Bhanita Nath and Sanjukta Baruah Published by B.D. Prakash, Panbazar, Guwahati-1

*1st Edition : September, 2022* Price : ₹230.00

প্ৰকাশক ঃ
বি. ডি. প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১
ফোন নং ঃ ৯৫৭৭৮৩৭০৮৭

প্ৰথম প্ৰকাশ ঃ ছেপ্তেম্বৰ, ২০২২

© সম্পাদকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

ISBN : 978-81-954049-9-5

মূল্য ঃ ২৩০.০০ টকা

ডি.টি.পি ঃ শিৱানী গ্ৰাফিক্স

বেটুপাত ঃ সঞ্জীৱ কলিতা

মুদ্ৰণ ঃ আঙ্গিক প্ৰেছ
আমবাৰী, গুৱাহাটী-১

# সূচীপত্ৰ

**প্ৰথম গোট**

**অসমীয়া নাটক ঃ উদ্ভৱ, বিকাশ আৰু ধাৰা** ১৩-৬৮
ড° চাহিন জাফ্ৰি

**লোকনাট্য, অংকীয়া নাট আৰু ঝুমুৰা** ৬৯-৮৫
ড° ৰমেন হাজৰিকা
ড° ৰুণজুন শইকীয়া

**উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাটক ঃ এটি চমু অৱলোকন** ৮৬-৯৬
মিৰ আব্দুৰ ৰহিম

**দ্বিতীয় গোট**

**অসমীয়া নাটকৰ পৰিৱেশন শৈলী ঃ এক আলোকপাত** ৯৭-১০৩
ড° নিশিগন্ধা তালুকদাৰ

**অংকীয়া নাট আৰু ইয়াৰ পৰিৱেশন** ১০৪-১১৪
বিৰজা ৰাভা

**ৰুক্মিণী হৰণ নাটক ঃ শংকৰদেৱ** ১১৫-১২২
(অংকীয়া নাটৰ আহাৰ্য, মুখ্য গায়ন-বায়ন সম্পৰ্কে বিশেষ উল্লিখনসহ)
ৰণদেৱ কলিতা

**তৃতীয় গোট**

**প্ৰাক-স্বাধীনতা যুগৰ অসমীয়া নাটক আৰু পৰিৱেশন** ১২৩-১৩১
(জ্যোতিপ্ৰসাদ আগৰৱালা, গুণাভিৰাম বৰুৱাৰ
নাটকৰ বিশেষ উল্লিখনসহ)
ড° নীহাৰিকা মৰাণ

**নীলাম্বৰ ঃ প্ৰসন্নলাল চৌধুৰী** ১৩২-১৪৪
(মঞ্চসজ্জা, আলোকসম্পাত, অভিনয়ৰীতি সম্পৰ্কে বিশেষ উল্লিখনসহ)
ড° কুকিলা গোস্বামী

**চতুৰ্থ গোট**

**উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাটক আৰু পৰিবেশন শৈলী** ১৪৫-১৫৬
ড° ৰুমী দাস

**অৰুণ শৰ্মাৰ নাটক 'আহাৰ' ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন** ১৫৭-১৭০
(মঞ্চৰীতি, অভিনয় ৰীতি আৰু উপস্থাপন শৈলীৰ বিশেষ উল্লিখনসহ)
অৰূপ দাস

**এবচাৰ্ড নাটক হিচাপে অৰুণ শৰ্মাৰ 'আহাৰ' ঃ এটি আলোচনা** ১৭১-১৭৮
প্ৰিয়াঙ্কা কাশ্যপ

**কৰুণা ডেকাৰ 'উৰুখা' ঃ এটি আলোকপাত** ১৭৯-১৮৪
ড° সুদক্ষিণা পাৰ

**কৰুণা ডেকাৰ 'উৰুখা' ঃ এক অৱলোকন** ১৮৫-২০৪
(মঞ্চৰীতি, অভিনয়ৰীতি, উপস্থাপন শৈলীৰ বিশেষ উল্লিখনসহ)
মিতুশ্ৰী বৰ্মন

**লেখক পৰিচিতি** ২০৫-২০৬

# উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাটক আৰু পৰিবেশন শৈলী

ড° ৰুমী দাস

কুৰি শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা অসমীয়া সাহিত্যৰ অন্যান্য ধাৰাসমূহৰ লগতে নাটকৰ ক্ষেত্ৰতো নতুনত্বৰ সমাৱেশ ঘটিছিল । মানুহৰ চিন্তাধাৰাৰ পৰিৱৰ্তন লগত সৃষ্টিকৰ্মৰো ৰূপান্তৰ ঘটিছিল। পৰাধীনতাৰ শিকলি ছিঙি ভাৰতবৰ্ষই নতুন পোহৰেৰে উজলি উঠাৰ দৰে নাটকৰো ন ন দিগন্তৰ বাট মুকলি হৈছে। পাশ্চাত্য তথা বঙালী নাটকেৰে প্ৰভাৱান্বিত হ'লেও উনবিংশ শতিকাৰ শেষ দশকৰ পৰা দুই-এখনকৈ অসমীয়া নাটক মঞ্চস্থ হ'বলৈ আৰম্ভ হয় আৰু তাৰ পিছৰ পৰাই মৌলিক অসমীয়া নাট্য উদ্যমী নাট্যকাৰসকলৰ হাতত প্ৰাণ পাই উঠে। যুদ্ধ পূৰ্বকালৰ নাটকৰ পৰা উত্তৰ স্বাধীনতা যুগৰ নাটকৰ উপস্থাপন ৰীতি, বিষয়বস্তু আদিৰ দিশত আমূল পৰিৱৰ্তন ঘটিছে । ১৯৪০ চনৰ পৰৱৰ্তী অৰ্থাৎ দ্বিতীয় মহাযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা লাভৰ সময়ছোৱাৰ পৰা বৰ্তমানলৈকে যুদ্ধোত্তৰ যুগ বুলি ধৰা হয়। এই যুগৰ নাটকসমূহক প্ৰথমছোৱাত তিনিটা ভাগত ভাগ কৰিব পাৰি— পৌৰাণিক, ঐতিহাসিক আৰু সামাজিক নাটক। উত্তৰ স্বাধীনতা কালত বাস্তৱ ৰচনাৰীতিৰে তথা সমাজ জীৱন আধাৰিত ভিন্ন ধাৰাৰ নাটকে সময়ৰ লগে লগে গা কৰি উঠিছে -- মহাকাব্যিক নাটক, এবচাৰ্ড নাটক, একাংকিকা, কল্পবিজ্ঞান নাটক, কাল্পনিক নাটক, ৰূপক, প্ৰতীকাত্মক নাটক, গীতিধৰ্মী নাটক, অনাতাঁৰ নাটক, বাটৰ নাটক, ভ্ৰাম্যমান নাটক আদি উল্লেখযোগ্য। এই সমূহৰ বহল বিশ্লেষণ তলত ক্ৰম অনুসৰি কৰা হ'ল--

**পৌৰাণিক নাটক ঃ**

ভাৰতীয় জীৱন ধাৰা ধৰ্মীয় ৰীতি-নীতিৰ মাজতে আৱদ্ধ। স্বাধীনতাৰ পূৰ্বতে আৰু পিছতো পুৰাণ-উপপুৰাণকেন্দ্ৰিক পৌৰাণিক নাটক ৰচিত হোৱা পৰিলক্ষিত হৈছে। জীৱনৰ আদৰ্শ, জগত সম্পৰ্কে দৃষ্টিভংগী, পৰলোকত বিশ্বাস, ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় আদি আখ্যানবোৰ নাটকীয় ৰূপত উপস্থাপন কৰিছে। মিত্ৰদেৱ মহন্তৰ 'প্ৰচ্ছন্ন পাণ্ডৱ' (১৯৫৬) এই সময়ছোৱাৰ এক উল্লেখযোগ্য সৃষ্টি। পাণ্ডৱসকলৰ কাহিনীৰ বৰ্ণনা নাটকখনৰ মূল বিষয়বস্তু। নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকাৰ 'নিৰ্য্যাতিতা'(১৯৫২), 'ৰুক্মিণী হৰণ'(১৯৪৯), আনন্দ বৰুৱাৰ 'নল দময়ন্তী' (১৯৫৬), কৰুণাধৰ বৰুৱাৰ 'ৰত্নাকৰ' (১৯৪৬), শুক্লেশ্বৰ বৰাৰ 'কলংক মোচন' (১৯৪৬), ভবেন্দ্ৰ নাথ ঠাকুৰীয়াৰ 'মহাবীৰ কৰ্ণ' (১৯৫১) আদি নাটক ৰঙ্গমঞ্চত সফলতাৰে অভিনীত হৈছিল। সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত ক'বলৈ হ'লে ১৯৫০ চনতে পৌৰাণিক নাটকৰ ছেদ টানিব পৰা যায়। অৱশ্যে এই সময়ছোৱাত পৌৰাণিক কাহিনী বা ঘটনাক আধুনিক পৰিস্থিতিৰ লগত সামঞ্জস্য ঘটাই নাটক ৰচনা কৰা পৰিলক্ষিত হয়। মহেন্দ্ৰ বৰঠাকুৰৰ 'পিতামহৰ শৰশয্যা' এনে অভিনৱ প্ৰচেষ্টাৰ ফল। নাট্যকাৰসকলে পৰিচিত কাহিনীক বীৰত্বব্যঞ্জক কাহিনীৰে বৈচিত্ৰময় কৰি তুলি জনসাধাৰণক আকৰ্ষণ কৰিবলৈ প্ৰয়াস কৰিছিল। পৌৰাণিক কাহিনীত নিহিত থকা ধৰ্মীয় আদৰ্শই নাট্যকাৰসকলক এনে নাটক ৰচনা কৰিবলৈ অৰিহণা যোগাইছিল।

**ঐতিহাসিক নাটক ঃ**

দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী সময়তে ভাৰতৰ স্বাধীনতা লাভে কেইখনমান উল্লেখযোগ্য ঐতিহাসিক নাটক সৃষ্টিত অৰিহণা যোগাইছে। স্বাধীনতাৰ আগতে যিবোৰ ঐতিহাসিক নাটক ৰচিত হৈছিল সেইবোৰত ৰচনাৰীতিৰ কৌশলগত নতুনত্ব দেখা পোৱা নগৈছিল। সেই সময়ৰ নাটকবোৰ বিশেষকৈ শ্বেক্সপীয়েৰৰ অনুসৰণত ৰচিত হৈছিল। নাটকৰ বিষয়বস্তু মূলতঃ আহোম বুৰঞ্জীৰ ঘটনা-পৰিঘটনা বা একোটা চৰিত্ৰ আধাৰিত হ'লেও নাট্যকাৰৰ নিজা দৃষ্টিভংগী তথা কল্পনা শক্তিৰ প্ৰকাশ ঘটিছিল। কিন্তু স্বাধীনতাৰ পিছত ঐতিহাসিক নাটকত ভাৱ আৰু ৰূপৰ ক্ষেত্ৰত পৰিৱৰ্তন দেখা গ'ল। উত্তৰ স্বাধীনতা যুগৰ ঐতিহাসিক নাটকৰ বৈশিষ্ট্য সন্দৰ্ভত সত্যেন্দ্ৰ নাথ শৰ্মাই মন্তব্য কৰিছে এনেদৰে - 'কাহিনী বা প্লট বিকাশৰ

সংহত ৰূপ, উপবস্তুৰ প্ৰতি অযথা মোহ পৰিহাৰ, অংক আৰু দৃশ্য প্ৰয়োগৰ মিথ্যাচাৰ আৰু যুগোচিত পৰিৱেশ সৃষ্টি কৰাৰ প্ৰচেষ্টা।'(শৰ্মা, সত্যেন্দ্ৰ নাথ। অসমীয়া নাট্য সাহিত্য, পৃ-২৩৬)। এই বৈশিষ্ট্যৰ সাৰ্থক ৰূপৰ প্ৰকাশ পোৱা উত্তৰ স্বাধীনতা যুগৰ নাটক কেইখন হ'ল - প্ৰবীণ ফুকনৰ 'মণিৰাম দেৱান' (১৯৪৮) আৰু 'লাচিত বৰফুকন' (১৯৪৮), নগাঁও মিলিত শিল্পী সংঘৰ 'পিয়লি ফুকন' (১৯৪৮), ফণী শৰ্মাৰ 'ভোগজৰা' (১৯৫৭), সুৰেন্দ্ৰ নাথ শইকীয়াৰ 'কুশল কোঁৱৰ' (১৯৪৯), অতুল চন্দ্ৰ হাজৰিকাৰ 'টিকেন্দ্ৰজিৎ'(১৯৫৯), আব্দুল মালিকৰ 'ৰাজদ্ৰোহী' (১৯৫৬), উত্তম বৰুৱাৰ 'বৰৰজা ফুলেশ্বৰী' (১৯৭২), 'জেৰেঙাৰ সতী' (১৯৬২), সুৰেন ভাগৱতীৰ 'গোমধৰ কোঁৱৰ' (১৯৮৪), পৰমানন্দ ৰাজবংশীৰ 'নাঙল, মাটি আৰু মানুহ' (১৯৮৭) আদি উল্লেখযোগ্য। উল্লেখিত নাটকসমূহত ঐতিহাসিক কাহিনীক কল্পনাৰ সংযোগত আৰু যুগৰ আৰ্দশত নব্য নাট্যৰূপ দিয়াৰ প্ৰয়াস পৰিলক্ষিত হয়।

ঐতিহাসিক নাটকসমূহত বুৰঞ্জী বৰ্ণিত কাহিনী আৰু চৰিত্ৰত বাস্তৱবাদী দৃষ্টিভংগী আনিবলৈ প্ৰয়াস কৰিছে। সম্পূৰ্ণ যুগোপযোগী মঞ্চ নিৰ্দেশনা, ঘটনা সংস্থাপন, চৰিত্ৰ চিত্ৰণ আৰু উপযুক্ত সংলাপ সংযোজন পৰিলক্ষিত হয়। এই ক্ষেত্ৰত নগাঁও মিলিত সংঘৰ 'পিয়লি ফুকন', ফণী শৰ্মাৰ 'ভোগজৰা' নাটকৰ মঞ্চ সাফল্য স্মৰণীয়। ঐতিহাসিক নাটকসমূহত ঐতিহাসিক ঘটনাৰ পুনৰ নিৰ্মাণৰ প্ৰচেষ্টাৰে কল্পনাৰ মিশ্ৰণেৰে গঠিত আৰু ক্ৰিয়াশীল ৰূপত ৰচনা কৰিছিল।

**সামাজিক নাটক ঃ**

সামাজিক সমস্যা বহুল নাটকে উত্তৰ স্বাধীনতা কালৰ এক যুগৰ সৃষ্টি কৰিছে। ভাৰতীয় স্বাধীনতা প্ৰাপ্তিয়ে দেশবাসীৰ মনলৈ আত্মবিশ্বাস, প্ৰত্যাশা দুৰাই আনিলে। বিষয়বস্তুৰ ক্ষেত্ৰত সামাজিক সমস্যা, সামাজিক চেতনা, ব্যক্তিস্বাতন্ত্ৰ্য তথা ব্যক্তিগত ভাৱ-চিন্তা-দ্বন্দ্ব, অৰ্থনৈতিক সমস্যাই প্ৰাধান্য পাইছিল। এনে সময়তে দ্বিতীয় মহাসমৰৰ তিক্ততা আৰু বিয়াল্লিছৰ গণ বিপ্লৱৰ পটভূমিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা'( ১৯৪৮)ৰ দৰে উচ্চ স্তৰৰ সামাজিক নাটকৰ সৃষ্টি হয়। নাটকখন সম্পৰ্কে নাট্যকাৰে পাতনিত বিষয়বস্তু আৰু ৰূপায়ণ ৰীতিৰ কথা স্পষ্ট ভাৱে কৈছে— "হয়তো লভিতাৰ মাজেদি নাটকীয় কাহিনীৰ গতানুগতিক ৰূপ যেন অসমীয়া নাটকত ভাগি যাব খুজিছে। বিয়াল্লিছৰ বিপ্লৱ

আৰু দ্বিতীয় মহাসমৰৰ মাজেদি অসমীয়া জাতীয় চৰিত্ৰৰ বাস্তৱিক ব্যৱহাৰে এই নাটৰ পৰ্য্যালোচনাৰ দৰেই বুলি ক'লেও ভুল নহ'ব।" (পাতনি, লভিতা)।

উত্তৰ স্বাধীনতা কালৰ নাটকবোৰত গতানুগতিক নাট্যৰীতিৰ ট্ৰেজেদি, কমেডি, সন্ধি আদিৰ সংজ্ঞা উলংঘা কৰি নব্য দৃষ্টিভংগীৰ বাট প্ৰশস্ত কৰি তুলিছিল। যুদ্ধোত্তৰ যুগৰ নতুন পৰিবেশ আৰু পৰিস্থিতত ৰচনা কৰা সামাজিক নাটকৰ ভিতৰত লক্ষ্মীকান্ত দত্তৰ 'মুক্তি অভিযান' (১৯৫৩) ত শ্বহীদসকলৰ ত্যাগৰ আদৰ্শ ৰূপায়িত হৈছে। প্ৰাৰম্ভিক কালৰ সামাজিক আৰু পাৰিবাৰিক নাটকসমূহৰ ভিতৰত অনিল চৌধুৰীৰ 'প্ৰতিবাদ' (১৯৫৩), প্ৰবীণ ফুকনৰ 'শতিকাৰ বান' (১৯৫৪), সাৰদা বৰদলৈৰ 'পহিলা তাৰিখ' (১৯৫৭), 'সেই বাটেদি' (১৯৫৭), সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ 'অভিমান' (১৯৫৮), অমৰেন্দ্ৰ পাঠকৰ 'ইণ্টাৰভিউ' (১৯৫৫), গিৰীশ চৌধুৰীৰ 'মিনা বজাৰ' (১৯৫৮), সত্যপ্ৰসাদ বৰুৱাৰ 'শিখা' (১৯৫৭), 'জ্যোতিৰেখা' (১৯৫৮), ফণী শৰ্মাৰ 'চিৰাজ' (১৯৫৭), অৰুণ শৰ্মাৰ 'জিনটি' (১৯৬২), 'উৰুখা পঁজা' (১৯৬৪), ফণী তালুকদাৰৰ 'জুয়ে পোৰা সোণ' (১৯৬৭), 'সূৰ্যস্নান' (১৯৬৭) আদি নাটকৰ মাজেদি যুদ্ধোত্তৰ যুগত বাস্তৱধৰ্মী সামাজিক নাটক ৰচনাৰ ধাৰা অসমীয়া সাহিত্যত আৰম্ভ হয়।

ফণী শৰ্মাৰ 'চিৰাজ' নাটক অসমীয়া নাট্য সাহিত্যৰ বলিষ্ঠ পদক্ষেপ। শান্তি-সম্প্ৰীতিৰ উজ্জ্বলতম নিদৰ্শন 'চিৰাজ' অসমীয়া নাট্য আন্দোলনৰ ধ্ৰুৱতৰা স্বৰূপ। অনিল চৌধুৰীৰ 'প্ৰতিবাদ'ত সামাজিক বিধি-ব্যৱস্থাই প্ৰেমৰ পথত কেনেদৰে বাধাৰ সৃষ্টি কৰে তাৰ বাস্তৱ ৰূপ ৰূপায়িত হৈছে নাটকখনত। গিৰীশ চৌধুৰীৰ 'মিনা বজাৰ' নাটকত অৰ্থনৈতিক ব্যৱস্থাই সৃষ্টি কৰা শ্ৰেণী বিভক্ত সমাজৰ ছবি অংকিত কৰিছে। ফণী তালুকদাৰৰ 'জুয়ে পোৰা সোণ' নাটক চীনা আক্ৰমণৰ পটভূমিত ৰচিত হৈছে। পাৰিবাৰিক তথা সামাজিক জীৱনত সংঘটিত হোৱা সুখ-দুখ, আশা-আকাংক্ষাৰ বাস্তৱ চিত্ৰৰ প্ৰতিফলন দেখা যায় সামাজিক নাটকসমূহত।

সমাজতান্ত্ৰিক বাস্তৱবাদী আদৰ্শৰে অনুপ্ৰাণিত হৈ এই সময়ছোৱাৰ এচাম অসমীয়া নাট্যকাৰে নাটক ৰচনাৰ প্ৰয়াস কৰিছিল। অৰুণ শৰ্মাৰ 'চিএৱৰ', অতুল বৰদলৈ 'বৃক্ষৰ খোজ', অখিল চক্ৰৱৰ্তী 'উত্তৰ পুৰুষ', মহেন্দ্ৰ বৰঠাকুৰ 'জন্ম', 'আহঁতগুৰিৰ নতুন বাট' আদিৰ নাম উল্লেখ কৰিব পৰা যায়।

**মহাকাব্যিক নাটক ঃ**

উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাট্য সাহিত্যত মহাকাব্যিক নাটকে কম পৰিমাণে হ'লেও সমৃদ্ধ কৰিছে। জাৰ্মানি নাট্যকাৰ বেখ্ৰটৰ মহাকাব্যিক বা এপিক নাটকৰ প্ৰভাৱ পৃথিৱীৰ মঞ্চ আৰু নাট্য জগতলৈ কুৰি শতিকাৰ সপ্তম দশকমানৰ পৰাই বিয়পি পৰিছে। এই নাট্যধাৰাই পাশ্চাত্যৰ জন আৰ্ডেন, থৰ্মটন ওৱাইল্ডাৰ, ৰবাৰ্ট বল্ট, পিটাৰ ওৱেইচ, আৰ্থাৰ এডমভ আদি নাট্যকাৰ সকলকো প্ৰভাৱান্বিত কৰিছে। মহাকাব্যিক নাটকৰ চিন্তাধাৰা আৰু পদ্ধতিৰে ৰচনা কৰা অসমীয়া নাটকৰ মাজত মুনিন শৰ্মাৰ 'সভ্যতাৰ সংকট' (১৯৯০) আৰু অৰুণ শৰ্মাৰ 'আজি' (২০০৫) উল্লেখযোগ্য।

'আজি' নাটকত শোষণ আৰু শোষিতৰ সম্বন্ধৰ বাস্তৱ ছবি এখন অংকিত হৈছে। শ্ৰেণী সংগ্ৰামৰ এখন প্ৰকৃত ছবি বৰ্ণনাত্মক শৈলীৰে তুলি ধৰাত নাট্যকাৰ কৃতকাৰ্য হৈছে। (বৰুৱা, ভীমকান্ত। সম্পা. । অভিলেখ, স্মাৰক গ্ৰন্থ। পৃ- ৩৯৫) শেহতীয়াকৈ সীতানাথ লহকৰে 'কহয় চণ্ডীদাস', অৰুণ শৰ্মাৰ 'বুৰঞ্জী পাঠ', লিয়াকৎ আলীৰ 'মোৰে মলুৱাক কোনে মাৰিলে ৰে' আদি নাটক মহাকাব্যিক পদ্ধতিৰে ৰচনা কৰিছে।

**এবচাৰ্ড নাটক ঃ**

প্ৰচলিত বাস্তৱধৰ্মী প্ৰকৃতিবাদী সামাজিক নাটকৰ প্ৰতিক্ৰিয়া স্বৰূপে আৰু সামাজিক নাটকৰ সংগতি, সামঞ্জস্য আৰু অৰ্থময়তাৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱাৰ পৰিণতি স্বৰূপে পাশ্চাত্য নাট্য সাহিত্যত এবচাৰ্ড অৰ্থাৎ উদ্ভট নামৰ এক শ্ৰেণী নাটকৰ জন্ম হয়। (ভৰালী, শৈলেন। নাটক আৰু অসমীয়া নাটক। পৃ- ৬৬)। এই শ্ৰেণী নাটকৰ কাহিনীৰ কোনো নিৰ্দিষ্টতা নাই, সংগতি নাই, আদি অন্তৰো কোনো সামঞ্জস্য নাই। ইউজিন আয়োনেস্কো, আৰ্থাৰ এডামভ, এৰাবল, এডৱাৰ্ড এলবি এই ধাৰাৰ আৰম্ভণি কালৰ শক্তিশালী নাট্যকাৰ। ষষ্ঠ দশকৰ আৰম্ভণিতে আধুনিক ধাৰাৰ এবচাৰ্ড নাটক পেৰিচ চহৰত মঞ্চস্থ হ'বলৈ আৰম্ভ কৰে। ভাৰতত বাদল চৰকাৰৰ 'এবং ইন্দ্ৰজিৎ' (১৯৬২) নাটকখনে এই ধাৰাৰ পথ প্ৰদৰ্শক হিচাপে গ্ৰহণ কৰিব পাৰি। অসমীয়া নাট্য সাহিত্যত অৰুণ শৰ্মা এবচাৰ্ড নাটকৰ বাটকটীয়া। অৰুণ শৰ্মাৰ 'আহাৰ' সাৰ্থক এবচাৰ্ডধৰ্মী নাটক। নৰ্থ ব্ৰুক গেটৰ পটভূমিত আৰম্ভ হোৱা আপাততঃ অবাস্তৱ; এই নাট্যবস্তুত কেইবাটাও ঘটনাৰ সংমিশ্ৰণ ঘটিছে।

গীতিধৰ্মিতা আৰু ব্যঞ্জনাৰ বাবে নাটকখন উচ্চমানৰ শিল্প কৰ্মৰূপে পৰিগণিত হৈছে। অৰুণ শৰ্মাৰ 'নিবাৰণ ভট্টাচাৰ্য' আৰু ফণী শৰ্মাৰ 'কিয় ?' নাটকৰ বিষয়বস্তু শিল্পী সাহিত্যিকৰ সমস্যা আৰু সমবেদনাক লৈ গঠিত। ইবছেনীয় বাস্তৱবাদী কৌশলকে নতুন দৃষ্টিভংগীৰে উপস্থাপন কৰি ভাববস্তুৰ গভীৰতম আৰু সাৰ্বজনীনতাৰ গুণে দৰ্শকক এক নতুন সোৱাদৰ লগত পৰিচয় কৰাইছে। ইয়াৰ উপৰিও বসন্ত শইকীয়াৰ 'মানুহ', মৃগতৃষ্ণা', 'অসুৰ', বিনোদ শৰ্মাৰ 'জৰী', ফণী তালুকদাৰৰ 'অগ্নি পৰীক্ষা', কৰুণা বৈশ্যৰ 'শ্ৰীমতী' আদি নাটকত কম-বেছি পৰিমাণে এবচাৰ্ড নাটকৰ লক্ষণ আৰু প্ৰভাৱ অনুভৱ কৰা হয়। এই নাটকসমূহক মঞ্চ নিৰ্দেশনা নাট্যকাৰে অতি কষ্টৰে সাফল্যমণ্ডিত কৰি তোলে।

**লোককলাৰ সমলযুক্ত নাটক ঃ**

অসমীয়া নাটকে জন্মলগ্নৰে পৰা লোকনাট্যৰ আংগিক কৌশল বহন কৰি আহিছে। এনে লোকধৰ্মী নাট্য উপস্থাপন ৰীতিত মঞ্চৰ গতানুগতিক গুৰুত্ব আৰু জটিলতা নোহোৱা হ'ল। ফলত আৰ্থিক ব্যয় বহুলতা কমিল। অসমৰ শ্ৰীমন্ত শংকৰদেৱে পোন্ধৰ শতিকাতে তেওঁৰ অংকীয়া নাট ভাওনাত এনে লোকধৰ্মী সমল প্ৰয়োগ কৰি জনসাধাৰণক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। উত্তৰ স্বাধীনতা কালৰ নাট্যকাৰসকল লোককলা ভিত্তিক নাটক ৰচনাৰ ক্ষেত্ৰত প্ৰবৃত্ত হোৱা দেখা যায়। যুগল দাসৰ 'বায়নৰ খোল', আনন্দ মোহন ভাগৱতীৰ 'জতুগৃহ', ৰফিকুল হুছেইনৰ 'কৌৰৱ-পাণ্ডৱ-দ্ৰৌপদী', অখিল চক্ৰৱৰ্তীৰ 'এজন ৰজা আছিল', কৰুণা ডেকাৰ 'চং', লুইত কন্যা', সতীশ ভট্টাচাৰ্য্যৰ 'মহাৰাজা', পৰমানন্দ ৰাজবংশীৰ 'নাঙল, মাটি আৰু মানুহ', 'কমলা কুঁৱৰী', আলি হাইদৰৰ 'যুগ সন্ধিক্ষণৰ কাব্য', 'এখন নিলাজ মানুহৰ দেশ' আদি নাটকত অসমীয়া লোকগীত, লোককলা আৰু লোক নাট্যানুষ্ঠানৰ আংগিক ব্যৱহাৰ কৰি সমাজৰ বিভিন্ন সমস্যা নাটকৰ মাজেদি সাৰ্থক ভাৱে প্ৰতিফলিত কৰিছে। ইয়াৰ উপৰিও ভাওনাৰ চলেৰে, সূত্ৰধাৰী ৰীতি বা বৰ্ণনাত্মক ৰীতিৰ প্ৰয়োগেৰে নতুবা ওজাপালি নৃত্য ভংগিমাৰে বিশেষ ৰূপত লোককলাৰ সমলযুক্ত নাটকৰ প্ৰচলন দেখা যায়। যাৰ ফলত নাট্যকাৰসকলে নাটকৰ বক্তব্য বিষয় প্ৰকাশ কৰা, মঞ্চৰ স্থান পৰিৱৰ্তন কৰা, চৰিত্ৰৰ অৰ্ন্তজগতৰ উমান দিয়া, পৰিৱেশ, পৰিস্থিতি কাৰ্য আদি বৰ্ণনা কৰা কামবোৰো সম্পাদন কৰিছে।

**কল্পবিজ্ঞান নাটক ঃ**

বিজ্ঞানৰ ব্যাপক চৰ্চা আৰু কাৰ্যকাৰিতাই আমাক এক নতুন জীৱন দীক্ষা গ্ৰহণ কৰিবলৈ উদগনি যোগায়। বিজ্ঞানক কেন্দ্ৰ কৰি বিজ্ঞানভিত্তিক বা কল্পবিজ্ঞান নাটক সৃষ্টি হৈছে। বিজ্ঞানৰ কাৰ্য আৰু প্ৰক্ৰিয়াৰ লগত সম্পৰ্ক থকাৰ কাৰণে ই ফেন্টাচী বা অলীক কল্পনা জাতীয় সাহিত্যতকৈ বেলেগ হয়। দীনেশ চন্দ্ৰ গোস্বামীয়ে কল্পবিজ্ঞান সাহিত্য তথা নাটকৰ ক্ষেত্ৰত বিশেষ অৱিহণা আগবঢ়াইছে। তেওঁৰ 'পৰিব্ৰাজক' কল্পবিজ্ঞান নাটকখনত এটা বৈজ্ঞানিক সম্ভাৱনা বাস্তৱায়িত কৰাৰ প্ৰচেষ্টা কৰা হৈছে। তেওঁৰে 'বিজ্ঞাপন বিজ্ঞাপন'ত বায়ুৰ মাজতে বিজ্ঞাপন লিখি ত্ৰি-মাত্ৰিক চিত্ৰৰে সজোৱা পদ্ধতি দেখুৱাইছে । 'নিস্পৃহ', 'ৰবট বিজয় নাট', আশ্বৰ্য', 'উত্তৰণ' আদি নাটকত বিজ্ঞানৰ সম্ভাৱনা, পৰিৱৰ্তনসমূহৰ কথা নাট্যকাৰ গোস্বামীয়ে উল্লেখ কৰিছে। শ্যামা প্ৰসাদ শৰ্মাৰ 'দেৱতাৰ অন্য ৰূপ', অৰুণ শৰ্মাৰ 'স্থাৱৰ', সুশীল গোস্বামীৰ 'মন গুহাৰ অন্ধকাৰত' আদি নাটকে উত্তৰ স্বাধীনতা কালত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। কল্পবিজ্ঞানৰ অধিক সংখ্যক নাটকেই অনাতাঁৰ যোগে প্ৰচাৰিত হৈছে।

**একাংকিকা নাটক ঃ**

উত্তৰ স্বাধীনতা কালত সময় সচেতনতা আৰু উপস্থাপন ৰীতিত বিশেষ পৰিৱৰ্তন সাধন কৰি এক শ্ৰেণী দীৰ্ঘ পৰিসৰৰ নাটকৰ বিপৰীতে ক্ষুদ্ৰ পৰিসৰৰ একাংকিকা নাটকৰ ধাৰা সৃষ্টি হ'ল। পশ্চিমীয়া দেশৰ ষ্টীগু বাৰ্গ, অ'নীল, জন মিলিংটন, জন চিঞ্জ আদিৰ ধাৰণাৰে অসমীয়া সাহিত্যতো একাংক নাটক মঞ্চস্থ হ'বলৈ ধৰে। অসমীয়া সাহিত্যত একাংকিকা ৰচনাৰে আলোড়ন সৃষ্টি কৰিছিল ভোলা কটকীয়ে। তেওঁৰ 'বিভ্ৰাট' শীৰ্ষক নাটকখনে ১৯৫৫ চনত দিল্লীত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত শ্ৰেষ্ঠ একাংকিকাৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। স্বাধীনতাৰ পৰৱৰ্তী কালত প্ৰকাশিত হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যৰ একাংকিকা সংকলন 'এক অংকীয়া নাটৰ শৰাই' (১৯৬১), 'নাট্য বীথিকা' (১৯৭৯) আদি উল্লেখযোগ্য। বীণা বৰুৱাৰ 'এবেলাৰ নাট'ত পাৰিবাৰিক সমস্যাৰ ছবি আৰ্কষণীয় ৰূপত অংকিত হৈছে। প্ৰবীণ ফুকনৰ 'তপসা ৰাতি', লক্ষ্যধৰ চৌধুৰীৰ 'এনিশাৰ অতিথি', ফণী তালুকদাৰৰ 'এটি তৰা এমুঠি ছাঁই ' আদি যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্যায়ৰ একাংকিকা নাট। এই সময়ছোৱাৰ আদি স্তৰত প্ৰহসনমূলক আৰু পিছৰ

স্তৰত গহীন সমস্যামূলক একাংকিকা নাটক সৃষ্টি হৈছিল। দুৰ্গেশ্বৰ বৰঠাকুৰৰ 'বিহগুটিৰ বিলৈ', বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্যৰ 'প্ৰেমৰ ইনজেক্‌ছন', সুৰেন্দ্ৰ নাথ শইকীয়াৰ 'প্ৰেতাত্মাৰ পৰিদৰ্শন' আদি প্ৰহসনমূলক। সত্যপ্ৰসাদ বৰুৱাৰ 'আনাৰ কলি', 'ৰাণাদিল', ভবেন্দ্ৰ নাথ শইকীয়াৰ 'বাওনা', 'পুতলা নাচ', বসন্ত কুমাৰ ভট্টাচাৰ্যৰ 'খোজ', 'শতাব্দীৰ মৃত্যু', আলি হাইদৰৰ 'এটা চোলাৰ কাহিনী', অতুল বৰদলৈৰ 'এখন দুৱাৰ লাগে', লক্ষ্যধৰ চৌধুৰীৰ ' নিমিলা অংক' , সাৰদা বৰদলৈৰ 'পহিলা তৰিখ' আদি নাটক বিজ্ঞানসন্মত আৰু মঞ্চোপযোগী হৈ উঠা দেখা গৈছে। লগতে বাস্তৱধৰ্মী কাহিনীৰে সমৃদ্ধ তথা সমাজৰ ভিন্ন দিশৰ চিত্ৰ একাংকিকাবোৰত ক্ৰিয়াপ্ৰধান সামাজিক নাটকৰ যথেষ্ট পয়োভৰ দেখা যায়। পৰৱৰ্তী সময়ছোৱাত একাংকিকা ধাৰাটোৱে নবীন নাট্যকাৰসকলৰ প্ৰচেষ্টাত আকৰ্ষণীয় ৰূপ লাভ কৰিছে। সেইসকলৰ ভিতৰত চন্দ্ৰ মুদৈ, ৰাজীৱ ফুকন, অৰূপ বৰঠাকুৰ, দীপক গগৈ আদিৰ নাম ল'ব পাৰি।

উক্ত নাটকবোৰত অংক বা দৃশ্য বিভাজনৰ ঠাইত চিনেমাৰ আংগিক কৌশল, বিশেষকৈ ফ্লেচবেক, স্নেপশ্বট, স্পট্‌লাইট আদিৰ প্ৰাধান্য প্ৰায় সংখ্যকতেই দেখা যায়।

**অন্যান্য নাট ঃ**

উত্তৰ স্বাধীনতা যুগত কাল্পনিক, ৰূপক আৰু প্ৰতীকধৰ্মী নাটকৰো কম পৰিমাণে পয়োভৰ দেখা যায়। ১৯৬০ চনত প্ৰকাশিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটক কাল্পনিক নাটকৰ ধাৰাত সোমাই পৰিছে। বেলজিয়ামৰ নাট্যকাৰ মৰিচ মেটাৰলিংকৰ মান্নাভান্না নাটকৰ প্ৰভাৱ পৰিলেও নাট্যকাৰে নিজস্ব মৌলিকতাৰে নাটকখন সজাই তুলিছে। জনাৰ্দ্দন ঠাকুৰৰ পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ ভেটিত নিৰ্মিত 'ভৈয়ামৰ সেন্দুৰী আলি' নাটকখনো কাল্পনিক নাটকৰ ভিতৰুৱা। এই সময়তে প্ৰকাশিত কীৰ্তিনাথ বৰদলৈ আৰু মুক্তিনাথ বৰদলৈৰ 'মেঘাৱলী' ৰূপক হিচাপে খ্যাত এখন উল্লেখযোগ্য নাটক। পাৰ্বতী প্ৰসাদ বৰুৱাই মেটাৰলিংকৰ ব্লু বাৰ্ডক কেন্দ্ৰ কৰি 'সোণৰ সোলেং' নামৰ এখন প্ৰতীকধৰ্মী নাটক ৰচনা কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'সোণ পখিলী', 'নিমাতী কইনা', প্ৰসন্নলাল চৌধুৰীৰ 'অপেচৰী' আদি গীতি নাটক বা কাব্যধৰ্মী নাটক বুলি আখ্যা দিব পাৰি।

আকৌ উত্তৰ স্বাধীনতা কালৰপৰা সাম্প্ৰতিক সময় পৰ্যন্ত প্ৰচলিত অনাতাঁৰ নাটক, বাটৰ নাটক, ভ্ৰাম্যমাণ নাট্যধাৰাই বিশেষ আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ১৯৪৮ চনত গুৱাহাটীত অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাৰ পৰা অসংখ্য নাটক প্ৰচাৰিত হৈ আহিছে। সেয়া সামাজিক, ঐতিহাসিক, বিজ্ঞানভিত্তিক, কাল্পনিক আদি বিভিন্ন ধাৰাৰ নাটক।

বাটৰ নাটক অতি সাম্প্ৰতিক নাট্যধাৰা। ব্যস্ততাপূৰ্ণ মানুহক তাৎক্ষণিক দৰ্শনেৰে নাটক উপভোগ কৰাৰ সুবিধা প্ৰদান, বিশেষ মঞ্চ, নাট্য নিৰ্দেশিত বিভিন্ন সামগ্ৰী, আলোকসম্পাত আদি অবিহনে আৰু বিশেষ ধৰণৰ প্ৰস্তুতি অবিহনেই নাটক মঞ্চস্থ কৰিব পৰা সুবিধাৰ বাবে এই নাটকৰ জৰিয়তে প্ৰচাৰ কৰা হয় বাস্তৱ সমাজৰ ভিন্ন দিশ, ভিন্ন চৰিত্ৰৰ। সহজবোধ্য হোৱাকে বাটে-ঘাটে সহজে মানুহ গোট খাব পৰা স্থানত, মুকলি ভাৱে আৰু জীৱন্ত প্ৰৰ্দশনী দৰ্শকৰ সন্মুখত এই নাটকসমূহ ৰূপায়ণ কৰা হয়। যাক বিকল্প নাটক আখ্যা দিয়া হয়।

বৈপ্লৱিক চেতনা নিৰ্মাণ কৌশলৰ ক্ষেত্ৰত বাটৰ নাটকৰ ভূমিকা অন্যতম। সমাজত চলি থকা প্ৰতিবাদ, বিপ্লৱী সংস্কৃতি, অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৰুদ্ধে জাগৰণ ইত্যাদি বিভিন্ন দিশ নাটকৰ মাধ্যমেৰে যোগান ধৰিব পাৰিছে। অসমীয়া বাটৰ নাটকৰ স্ৰষ্টা হ'ল ৰত্ন ওজা। তেওঁৰ দ্বাৰা ৰচিত 'আমাক এজন অসমীয়া লাগে', 'অ' ফুল অ' ফুল নুফুলনো কিয়', 'বিয়োগ বাওনা' আদি নাটক উল্লেখযোগ্য। ৰত্ন ওজাৰ নিৰ্দেশতে অৰুণ শৰ্মাই বাটৰ নাটক লিখি উলিয়াইছিল।

স্বাধীনতাৰ পৰৱৰ্তী কালত ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰচলনে অসমীয়া নাট্য সাহিত্যত বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। পেছাদাৰী এই নাট্যনুষ্ঠানৰ সংখ্যা সম্প্ৰতি কুৰিৰো অধিক। ভ্ৰাম্যমাণৰ বাবে নাটক ৰচোঁতাসকলৰ ভিতৰত- ভবেন্দ্ৰ নাথ শইকীয়া, মহেন্দ্ৰ বৰঠাকুৰ, মুনীন বৰুৱা, মহানন্দ শৰ্মা, চম্পক শৰ্মা আদি অন্যতম। ছপাশালৰ মুখ নেদেখা এই শ্ৰেণীৰ নাটকে ৰঙ্গমঞ্চৰ মাজেৰে জনপ্ৰিয়তা অৰ্জন কৰিব পৰাটো সুখৰ বতৰা।

উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাটকৰ এক বহল ভিত্তি আছে। প্ৰকাশিত-অপ্ৰকাশিত যথেষ্ট সংখ্যক নাটক অসমৰ ইমূৰৰ পৰা সিমূৰলৈ মঞ্চস্থ হৈছে। সূক্ষ্ম নাট্যবোধ, কালচেতনা, সৃজনশীলতাৰ মাজেৰে ৰচিত অসমীয়া নাটকে অদূৰ ভৱিষ্যতে বিশিষ্ট আয়তন দান কৰিবলৈ সমৰ্থ হ'ব।

**উত্তৰ স্বাধীনতা যুগৰ নাটকৰ পৰিৱেশন শৈলী ঃ**

উত্তৰ স্বাধীনতা যুগৰ পৰা সাম্প্রতিক সময়লৈকে নাটকৰ গঠন কৌশলৰ ক্ষেত্ৰত ভিন্ন পৰিৱৰ্তন আহিল। নাটক এখন উচ্চ আসনত সমাদৃত কৰিবলৈ আনুষংগিক বিষয়বোৰো নাট্যকাৰে মন কৰাটো লক্ষণীয়। যুগোপযোগী চিন্তাধাৰাৰ মাজেৰে প্ৰকাশ কৰিব পৰা কৌশলৰ ওপৰতেই অসমীয়া নাট্য সাহিত্যৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। উল্লেখনীয় যে, নব্য নাট্যকাৰসকলে পাশ্চাত্য বাস্তৱবাদী নাট্যকাৰ হেনৰিক ইবচেন, জৰ্জ বাৰ্ণাৰ্ড শ্ব', লুই পিৰাণ্ডেলো, আয়োনেস্ক' আৰু সমসাময়িক অন্যান্য ভাৰতীয় প্ৰাদেশিক নাট্যকাৰসকলৰ নাট্যৰীতিৰ চিন্তাধাৰাৰে নাটক ৰচনা কৰিবলৈ আগবাঢ়িছিল। যাৰ ফলস্বৰূপে দৃশ্য সংখ্যা হ্রাস পালে ; সংলাপো গদ্যধৰ্মী হৈ পৰিল। নাটক এখন সৰ্বাংগ সুন্দৰ কৰি তুলিবৰ বাবে নাট্যকাৰে স্থান, কাল, পাত্ৰৰ নিৰ্দেশ অনুসৰি বিষয়বস্তু অভিব্যক্ত কৰাৰ চেষ্টা কৰে। নাটক এখন পৰিবেশিত হ'বলৈ কেইটামান উপাদানৰ প্ৰয়োজন। সেইসমূহৰ ভিতৰত — মঞ্চসজ্জা, সাজসজ্জা, আলোকসম্পাত, আৱহ সংগীত, অভিনয় কলা আদিয়েই প্ৰধান।

নাটকত ৰঙ্গমঞ্চৰ ব্যৱহাৰ এক এৰাব নোৱাৰা আহিলা। প্ৰাচীন ভাৰতত প্ৰচলিত আয়ত, তিনিকোণীয়া বা চাৰিকোণীয়া ৰঙ্গমঞ্চৰ প্ৰচলন আছিল। অসমতো আধুনিক নাট্যকলাৰ লগতে মঞ্চৰীতিও প্ৰসাৰিত হ'ল। স্বাধীনতাৰ পৰৱৰ্তী কালত প্ৰাঙ্গণ আৰু আৱদ্ধ বা প্ৰচেনিয়াম মঞ্চৰ প্ৰচলন অধিক হোৱা দেখা যায়। বৰ্তমান মঞ্চৰ সলনি প্ৰেক্ষাগৃহৰ ব্যৱহাৰে অন্যতম ভূমিকা গ্ৰহণ কৰিছে। যেনে-বাণ ৰঙ্গমঞ্চ, ভাস্কৰ নাট্য মন্দিৰ, ৰবীন্দ্ৰ ভৱন আদি গঢ়ি উঠিছে। এই ৰঙ্গমঞ্চসমূহেই সময়ৰ লগে লগে কলা, সংস্কৃতি চৰ্চা আৰু বিকাশৰ কেন্দ্ৰস্থল হৈ পৰিল। অসমত সাধাৰণতে পূজা-পাৰ্বন আদিত প্ৰচেনিয়াম বা আৱদ্ধ মঞ্চৰ ব্যৱহাৰৰ দ্বাৰা নাটকৰ প্ৰদৰ্শন হৈছিল। পূৰ্বৰ পাঁচঅংকৰ ঠাইত তিনি অংকৰ নাটকৰ প্ৰচলন হোৱাৰ দৰে নাটকৰ উপস্থাপন ৰীতি আৰু আংগিকৰ ক্ষেত্ৰতো পৰিৱৰ্তন ঘটিল। প্ৰেক্ষাগৃহৰ আৰ্বিভাৱ হোৱাৰ লগে লগে সুসজ্জিত আলোকসজ্জা, আৰামদায়ক চকী, পোহৰ আদি সকলোতে নতুনত্ব পৰিলক্ষিত হ'ল।

মঞ্চৰ পৰিৱেশন শৈলীৰ এক জাতীয় উপকৰণস্বৰূপে সাজসজ্জাই নাটকৰ প্ৰয়োগিক আৰু নন্দনতাত্ত্বিক দিশতো প্ৰভাৱ পেলাইছে। নাটকীয় চৰিত্ৰ ফুটাই তুলিবলৈ এইবিধ উপকৰণে সহায় কৰে। বিষয়বস্তুৰ লগত সমন্বয় ৰক্ষা কৰি সাজ-পোছাক পৰিধান কৰি দৰ্শকক চৰিত্ৰৰ বৈশিষ্ট্য সম্পৰ্কে অৱগত কৰাত সহায় কৰে।

নাটকত সাধাৰণতে বগা, হালধীয়া বা সুনশিয়া ৰঙৰ কাপোৰে বৰ্ণনা চৰিত্ৰক শোভা পায়। তেনেদৰে নীলা, সেউজীয়া আদি ৰঙৰ কাপোৰ হীন গম্ভীৰ চৰিত্ৰক পৰিধান কৰোৱা হয়। নাটকৰ পৰিৱেশ আৰু সময়ৰ সৈতে মিলাই সাজপাৰ নিৰ্ধাৰিত হয়।

নাটকীয় পৰিৱেশৰ বাবে যথোপযুক্ত বাতাৱৰণ সৃষ্টিৰ লগতে আৰ্কষণীয়তা বঢ়োৱাৰ ক্ষেত্ৰত আলোকসম্পাতে যথেষ্ট অবদান আগবঢ়ায়। ভিন্ন ৰঙৰ পোহৰ ব্যৱহাৰ কৰি স্পট লাইট, ফ্লেছ লাইট, প্ৰজেক্টৰ আদিৰ জৰিয়তে নাটকীয় বিষয়বস্তুৰ আবেদন দুগুণে বঢ়ায়। প্ৰেক্ষাগৃহ আৰু মঞ্চৰ অন্ধকাৰ দূৰ কৰি নাট্যবস্তু দৃশ্যমান কৰি তোলা আৰু অভিনয়ত যি দৃশ্যসজ্জা বা ৰূপসজ্জা ব্যৱহৃত হয় তাৰ দ্বাৰা অবাস্তৱতা দূৰ কৰি বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত আলোকসম্পাতৰ ভূমিকা অন্যতম।

স্বাধীনোত্তৰ যুগৰ নাটকৰ ক্ষেত্ৰত আবহ সংগীতৰ উল্লেখযোগ্য অবদান আছে। এই সময়ত নাটকৰ চৰিত্ৰৰ মুখত গীতৰ প্ৰয়োগ নোহোৱা হ'ল আৰু তাৰ ঠাইত আবহ সংগীতৰ বাদ্যযন্ত্ৰৰ নিৰ্দেশ সূক্ষ্মাতিসূক্ষ্মভাৱে প্ৰয়োগ হ'ল। এই ক্ষেত্ৰত আধুনিক বাদ্যযন্ত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

শিল্পীৰ অভিনয় কলাৰ মাধ্যমেৰে নাটকৰ বিষয়বস্তু জীৱন্ত হৈ উঠে। অভিনয় কলা চাৰিবিধ- আহাৰ্য, বাচিক, আংগিক আৰু সাত্ত্বিক । শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ আৰু উপাঙ্গৰ ৰসপূৰ্ণ আৰু ভাৱ প্ৰকাশৰ সঞ্চালনকে আঙ্গিক অভিনয় বোলে। আকৌ কথনভঙ্গীৰ দ্বাৰা কৰা অভিনয়কে বাচিক অভিনয় বুলি কোৱা হয়। সাজ-পোছাক, অলংকাৰ, কুসুমৰ মালা আদি পিন্ধি বৰ্ণ বিধান বা অংগ সজ্জাৰ দ্বাৰা কৰা অভিনয়কে আহাৰ্য অভিনয় বোলে। নৃত্যই হৈছে সাত্ত্বিক অভিনয়। আংগিক আৰু আহাৰ্য অভিনয় অবিহনে সাত্ত্বিক অভিনয়ৰ পূৰ্ণ বিকাশ অসম্ভৱ। (কুমাৰ, কিশোৰ। মঞ্চকলা। পৃ- ৭৯-৮০)

মুঠতে, বিষয়বস্তুৰ পৰিমিতিবোধ, লক্ষ্যাভিমুখী গতি, সংলাপৰ নাট্যধৰ্মিতা, উপযুক্ত সংলাপ ব্যৱহাৰ, মঞ্চকলাৰ নাট্যধৰ্মী গুণ, আবেদনময়তা, মঞ্চোপযোগী, পৰিৱেশ উপযোগী আৱহ সংগীত, সহ অভিনয়, ন ন নাট্যৰীতিৰ প্ৰয়োগ ইত্যাদি উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাটকৰ প্ৰধান বিশেষত্ব। (ভট্টাচাৰ্য্য, বসন্ত সম্পা.। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ জিলিঙনি। পৃ-২২২) ।

আলোচনাৰ পৰিশেষত এটা কথা সহজে প্ৰতীয়মান হয় যে উত্তৰ স্বাধীনতা যুগৰ অসমীয়া নাটকৰ এক বহল ভিত্তি আছে। ভিন্ন ধাৰাৰ নাটকসমূহ নাট্যকাৰৰ নিজস্ব বৈশিষ্ট্যৰে পৰিপূৰ্ণ। অসমীয়া নাট্য সাহিত্যই বিষয়বস্তু, ভাববস্তু আৰু

আংগিক কৌশলৰ ক্ষেত্ৰত সময়ৰ লগে লগে পৰিৱৰ্তনৰ স্তৰ অতিক্ৰম কৰি আহিছে। বিদেশী নাট্য সাহিত্যৰ পৰা অসমীয়ালৈ অনূদিত কৰা নাটক, যেনে- শৈলেন ভৰালীয়ে বেকেটৰ 'ওৱেটিং ফৰ গডো' নাটকখন 'গডোৰ অপেক্ষাত' নামেৰে, পংকজ ঠাকুৰে ষ্টিনবাৰ্গৰ 'দি ফাডাৰ', মহেন্দ্ৰ বৰাই ইবচেনৰ 'ঘোষ্টছ্' নাটকখন 'ভূত' নামেৰে অনুবাদ কৰে। অস্তিত্ববাদী ভাৱধাৰাৰে প্ৰভাৱিত অসমীয়া নাটক, যেনে- অজিত মহন্তৰ 'ঈশ্বৰৰ মৃত্যুত শোকসভা', অমিয় চৰণ গোহাঁইৰ 'ৰুদ্ধ দুৱাৰ' নামক অনূদিত নাটকতো ছাৰ্ত্ৰৰ কিছু প্ৰভাৱ পৰিলক্ষিত হৈছে। এইসমূহৰ সৃষ্টিয়ে স্বাধীনতাৰ পৰৱৰ্তী কালত অসমীয়া নাটকক উচ্চ আসনত অধিষ্ঠিত কৰিবলৈ সক্ষম হৈছে আৰু এই ক্ষেত্ৰত নাট্যকাৰ সকলৰ যথেষ্ট বৰঙণি আছে।

লক্ষণীয় যে সুকুমাৰ কলা হিচাপে নাটক সৃষ্টিতকৈ মঞ্চৰ তাগিদাতহে নাটক সৃষ্টিৰ গুৰুত্ব অধিক হোৱা বাবে অসমীয়া নাটকে পূৰ্বতকৈ পৰিপূৰ্ণতা লাভ কৰিছে। বাস্তৱতাৰ পৰশ লগা মঞ্চৰীতিত উপযুক্ত শৈলীৰে পৰিৱেশিত হৈ অসমীয়া নাটকে সাম্প্ৰতিক সময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে।

## গ্ৰন্থপঞ্জী ঃ

১) কিশোৰ, কুমাৰ । মঞ্চকলা। গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল, ১৯৭৭।
২) দাস, বাদল। নাট্যকলা আৰু অভিনয় শিল্প। গুৱাহাটী ঃ প্ৰকাশিকা গিৰিজা দাস, ২০০০।
৩) পাটগিৰী, জগদীশ । নাট্য আৰু চেতনা। গুৱাহাটী ঃ চতুৰংগম, ১৯৯৭।
৪) বৰুৱা, ভীমকান্ত। সম্পা.। অভিলেখ, স্মাৰক গ্ৰন্থ। ডিব্ৰুগড় ঃ আদৰণী সমিতি, অসম সাহিত্য সভা, ষট্‌ষষ্ঠিতম অধিৱেশন, ২০০১।
৫) ভট্টাচাৰ্য, অমিয়া । সম্পা.। ভাগৱতী প্ৰকাশন, ২০০৭।
৬) ভট্টাচাৰ্য, বসন্ত কুমাৰ। অসমীয়া নাটকৰ সমীক্ষা। নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম, ২০০২।
৭) ভৰালী, শৈলেন। নাটক আৰু অসমীয়া নাটক। গুৱাহাটী ঃ বাণী প্ৰকাশ, ১৯৯০।
৮) শৰ্মা, সত্যেন্দ্ৰ নাথ। অসমীয়া নাট্য সাহিত্য। গুৱাহাটী ঃ অৰুণোদয় প্ৰেছ, ২০০০।

■■■